NEWZ NOW

সংখ্যা ৩২ | বুধবাৰ, ২৫ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

অসম

পুনৰ ট্ৰাম্পৰ শুল্ক বোমা! ভাৰতৰ সামগ্ৰীৰ ওপৰত ২৫%, চীনৰ বাবে ৪০% পৰ্যন্ত শুল্ক আৰোপৰ প্ৰস্তাৱ ট্ৰাম্প প্ৰশাসনৰ

ভাৰতসহ কেইবাখনো দেশৰ সামগ্ৰীৰ ওপৰত ২৫ শতাংশ আৰু চীনৰ ক্ষেত্ৰত ৪০ শতাংশ পৰ্যন্ত শুল্ক আৰোপৰ প্ৰস্তাৱ দিছে আমেৰিকাৰ বাণিজ্য প্ৰতিনিধিৰ কাৰ্যালয়ে।



NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৭:৪৩

নতুন দিল্লী, ২৫ নৱেম্বৰ: ভাৰতসহ কেইবাখনো দেশৰ পৰা আমেৰিকালৈ আমদানি কৰা সামগ্ৰীৰ ওপৰত ২৫ শতাংশ পৰ্যন্ত শুল্ক আৰোপৰ প্ৰস্তাৱ আগবঢ়াইছে আমেৰিকাৰ বাণিজ্য প্ৰতিনিধিৰ কাৰ্যালয়ে (ইউএছটিআৰ)। ইয়াৰ বিপৰীতে চীনৰ পৰা আমদানি হোৱা সামগ্ৰীৰ ক্ষেত্ৰত সৰ্বোচ্চ ৪০ শতাংশ পৰ্যন্ত শুল্ক নিৰ্ধাৰণৰ পৰিকল্পনা কৰা হৈছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6359

অসম

প্ৰথমে পৰকীয়া প্ৰেম, তাৰ পাছত সন্তান জন্ম! বিধানসভাৰ উপাধ্যক্ষ ডঃ হাবে টেৰণৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ এগৰাকী মহিলাৰ



অসম বিধানসভাৰ উপাধ্যক্ষ তথা বিজেপি বিধায়ক ডঃ হাবে টেৰণৰ বিৰুদ্ধে উত্থাপিত হৈছে এক গুৰুতৰ অভিযোগ।
পঢ়ক: https://newznow.in/news/6071

ৰাজনীতি

SP-কংগ্ৰেছৰ আসন ভাগ-বাটোৱাৰাত নতুন জটিলতা! আমেঠী-ৰায়বেৰেলীৰ ১০খন আসনক লৈ মতানৈক্য



নতুন দিল্লী, ২৫ নৱেম্বৰ: ২০২৭ চনৰ উত্তৰ প্ৰদেশ বিধানসভা নিৰ্বাচনৰ পূৰ্বে সমাজবাদী পাৰ্টি আৰু কংগ্ৰেছৰ মাজত আসন ভাগ-বাটোৱা...
পঢ়ক: https://newznow.in/news/6399

দেশ

'এতিয়া নহয়' - উমৰ খালিদ আৰু শাৰ্জিল ইমামৰ অন্তৰ্বৰ্তীকালীন জামিন আবেদন নাকচ উচ্চতম ন্যায়ালয়ৰ



নতুন দিল্লী, ২৫ নৱেম্বৰ: ২০২০ চনৰ উত্তৰ-পূব দিল্লীৰ হিংসাত্মক ঘটনাৰ ষড়যন্ত্ৰৰ গোচৰত অভিযুক্ত উমৰ খালিদ আৰু শাৰ্জিল ইমাম...
পঢ়ক: https://newznow.in/news/6395

ৰাজনীতি

লক্ষ্ণৌত মল্লিকাৰ্জুন খৰ্গেৰ 'সংবিধান ৰক্ষা মাৰ্চ'ৰ অনুমতি নিদিলে আৰক্ষীয়ে



লক্ষ্ণৌ, ২৫ নৱেম্বৰ: কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খৰ্গেৰ লক্ষ্ণৌ ভ্ৰমণৰ পূৰ্বে দলটোৱে প্ৰস্তুতি চলোৱা 'সংবিধা...
পঢ়ক: https://newznow.in/news/6362

ভিতৰৰ পাতত

ৰাজনীতি: ৰাহুল গান্ধীৰ নাম থকা লেখা পোষ্টত...

আন্তঃৰাষ্ট্ৰীয়: ভাৰত মধ্যপন্থী ইছলামৰ এক আদৰ্শ হ'ব...

দেশ: বছৰি ১,৫০০ ড্ৰোন আৰু ৩০০ বাংকাৰ: ৰ...

স্বাস্থ্য: দেশজুৰি ৩২৪টা ঔষধৰ নমুনা মানদণ্ড প...

ৰাজনীতি

ৰাহুল গান্ধীৰ নাম থকা লেখা পোষ্টত বাধা দিয়াৰ অভিযোগ: কংগ্রেছৰ সৈতে মেটাৰ বৈঠক

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৭:৩২



নতুন দিল্লী, ২৫ নৱেম্বৰ: কংগ্রেছ নেতা ৰাহুল গান্ধীৰ নাম উল্লেখ থকা ছ'চিয়েল মিডিয়া পোষ্টত মেটাই বাধা আৰোপ কৰাৰ অভিযোগ উত্থাপন কৰিছে কংগ্রেছে। এই অভিযোগক লৈ দুয়োপক্ষৰ মাজত সৃষ্টি হোৱা মতানৈক্যৰ মাজতে কোম্পানীটোৰ ৰাজহুৱা নীতি বিভাগৰ এটা দলে কংগ্রেছ নেতাসকলৰ সৈতে এক বৈঠকত মিলিত হয়। মঙলবাৰে অনুষ্ঠিত এই বৈঠকত মেটাৰ বিষয়াসকলে সমল পর্যালোচনা আৰু প্লেটফর্মত কোনো পোষ্ট বা একাউণ্টৰ ওপৰত বাধা আৰোপ কৰাৰ প্রক্রিয়া সন্দর্ভত কংগ্রেছ প্রতিনিধিসকলক অৱগত কৰে। বৈঠকত কংগ্রেছৰ ছ'চিয়েল মিডিয়া আৰু ডিজিটেল প্লেটফর্মৰ মুৰব্বী সুপ্রিয়া শ্রীনেতৰ লগতে যুৱ কংগ্রেছৰ নেতাসকল উপস্থিত থাকে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6342

দেশ

বছৰি ১,৫০০ ড্রোন আৰু ৩০০ বাংকাৰ: ৰঙিয়াত আৰম্ভ হ'ল প্রতিৰক্ষা সঁজুলি নির্মাণ প্রকল্প

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২৫



অসমৰ প্রতিৰক্ষা উদ্যোগৰ ক্ষেত্রত নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰি কামৰূপ জিলাৰ ৰঙিয়াৰ তুলসীবাৰীত আৰম্ভ হৈছে ৰাজ্যখনৰ প্রথমটো প্রতিৰক্ষা সঁজুলি নির্মাণ প্রকল্প।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6175

আন্তঃৰাষ্ট্রীয়

ভাৰত মধ্যপন্থী ইছলামৰ এক আদর্শ হ'ব পাৰে: ভাৰত-ইজিপ্ত সম্মিলনত বিশেষজ্ঞৰ মত

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪৯



নতুন দিল্লী: ভাৰতৰ চহকী চুফী পৰম্পৰা আৰু ধর্মীয় সহাৱস্থানৰ ঐতিহ্যই সমগ্র বিশ্বৰ সম্মুখত এক মধ্যপন্থী, প্রগতিশীল আৰু অন্তর্ভুক্তিমূলক ইছলামৰ আদর্শ দাঙি ধৰিব পাৰে। নতুন দিল্লীত অনুষ্ঠিত ভাৰত আৰু ইজিপ্তৰ বিশেষজ্ঞসকলৰ এক ঘূৰণীয়া মেজমেলত এই অভিমত ব্যক্ত কৰা হয়। নতুন দিল্লীৰ ইণ্ডিয়া ইছলামিক কালচাৰেল চেণ্টাৰত ইণ্ডো ইছলামিক হেৰিটেজ চেণ্টাৰৰ উদ্যোগত 'ভাৰত আৰু ইজিপ্তত চুফীবাদ: শান্তি, বহুত্ববাদ আৰু সহাৱস্থানৰ উমৈহতীয়া ঐতিহ্য' শীর্ষক এই সম্মিলনখন অনুষ্ঠিত হয়। এই অনুষ্ঠানত বহুসংখ্যক পণ্ডিত, ধর্মীয় নেতা, শিক্ষাবিদ আৰু সংবাদ মাধ্যমৰ প্রতিনিধিয়ে অংশগ্রহণ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6218

স্বাস্থ্য

দেশজুৰি ৩২৪টা ঔষধৰ নমুনা মানদণ্ড পৰীক্ষাত ব্যর্থ, অসমতো নকল ঔষধ চিনাক্ত

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪২



দেশজুৰি চলোৱা ঔষধৰ গুণগত মান পৰীক্ষাৰ শেহতীয়া নিৰীক্ষণত ৩২৪টা ঔষধৰ নমুনা নির্ধাৰিত মানদণ্ড পূৰণ কৰাত ব্যর্থ হৈছে। ইয়াৰ সমান্তৰালকৈ কেন্দ্রীয় ঔষধ নিয়ন্ত্রক সংস্থা চমুকৈ চিডিএছচিঅ'ই অসমতো এটা নকল ঔষধৰ নমুনা চিনাক্ত কৰিছে। এই ঘটনা সন্দর্ভত ইতিমধ্যে তদন্ত আৰম্ভ কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6211

দেশ

নৱোদয় বিদ্যালয়ত ছাত্রীক যৌন নির্যাতনৰ অভিযোগ: অধ্যক্ষৰ বিৰুদ্ধে পকচো আইনত গোচৰ ৰুজু

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৮:০৩



ঝাৰছুগুড়া, ২৫ নৱেম্বৰ: ওড়িশাৰ ঝাৰছুগুড়া জিলাৰ এখন জৱাহৰ নৱোদয় বিদ্যালয়ত দ্বাদশ শ্রেণীৰ এগৰাকী ছাত্রীক যৌন নির্যাতন চলোৱাৰ অভিযোগ উত্থাপন হৈছে বিদ্যালয়খনৰ অধ্যক্ষৰ বিৰুদ্ধে। ছাত্রীগৰাকীৰ অভিযোগৰ ভিত্তিত আৰক্ষীয়ে অধ্যক্ষগৰাকীৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতা আৰু পকচো (POCSO) আইনৰ অধীনত এটা গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে। বুধবাৰে পোহৰলৈ অহা এই ঘটনা সন্দর্ভত ছাত্রীগৰাকীয়ে অধ্যক্ষৰ বিৰুদ্ধে আৰক্ষীৰ ওচৰত অভিযোগ দাখিল কৰে। ইয়াৰ পাছতে ঝাৰছুগুড়া সদৰ আৰক্ষী থানাত এক এজাহাৰ পঞ্জীয়ন কৰা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6391

দেশ

সৌৰভ দাসক পাছপ'ৰ্ট সন্দর্ভত কাৰণ দর্শোৱাৰ জাননী চেন্নাইৰ আঞ্চলিক পাছপ'ৰ্ট কার্যালয়ৰ

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৮:০০



নতুন দিল্লী: পাছপ'ৰ্টৰ আবেদনত তথ্য লুকুওৱা তথা বিসংগতিৰ অভিযোগত সৌৰভ দাস নামৰ লোকজনক চেন্নাইৰ আঞ্চলিক পাছপ'ৰ্ট কার্যালয়ে কাৰণ দর্শোৱাৰ জাননী জাৰি কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6387

আন্তঃৰাষ্ট্রীয়

বিকিনিৰ ওপৰত 'ওঁ' আৰু ত্রিশূলৰ চিহ্ন থকা চাৰং, ছুপাৰমডেলৰ কাণ্ডকলৈ তীব্র বিতর্ক

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৭:৫৭



নতুন দিল্লী, ২৫ নৱেম্বৰঃ হিন্দু ধর্মৰ পৱিত্র প্রতীক 'ওঁ' আৰু ত্রিশূলৰ চিহ্ন থকা কাপোৰ পৰিধান কৰি তীব্র বিতর্কৰ সম্মুখীন হৈছে আমেৰিকাৰ ছুপাৰমডেল কেন্ডেল জেনাৰ। ক'লা বিকিনিৰ ওপৰত হালধীয়া ৰঙৰ এখন চাৰং পৰিধান কৰা তেওঁৰ কেইখনমান ছবি সামাজিক মাধ্যমত ভাইৰেল হোৱাৰ পাছতে একাংশ ভাৰতীয় ব্যৱহাৰকাৰীয়ে তীব্র ক্ষোভ প্রকাশ কৰিছে। প্রাপ্ত তথ্য অনুসৰি, ভগ্নী কাইলি জেনাৰৰ সৈতে বাহামাছত হেইলী বিবাৰৰ ৩০সংখ্যক জন্মদিন উদ্‌যাপন কৰিবলৈ গৈছিল কেন্ডেল জেনাৰ। সেই সময়ৰ কেইখনমান ছবি কাইলি জেনাৰে ইনষ্টাগ্রামত পোষ্ট কৰে। ছবিত কেন্ডেলক ক'লা বিকিনিৰ ওপৰত সৰিয়হ-হালধীয়া ৰঙৰ এখন চাৰং মেৰিয়াই থকা দেখা গৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6383

ৰাজনীতি

বিধানসভাৰ উপাধ্যক্ষ ডাঃ হাবে টেৰণৰ ২৪ ঘণ্টাৰ ভিতৰত পদত্যাগ দাবী অসম প্রদেশ মহিলা কংগ্রেছৰ

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৭:৪৪



গুৱাহাটী, ২৫ নৱেম্বৰ: অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ হাবে টেৰণৰ বিৰুদ্ধে উত্থাপিত অভিযোগক লৈ ৰাজ্য চৰকাৰ আৰু শাসকীয় বিজেপি দলক তীব্র সমালোচনা কৰিছে অসম প্রদেশ মহিলা কংগ্রেছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6366

দেশ

ভাৰতৰ উন্নতি বিশ্বৰ কোনো শক্তিশালী দেশে নিবিচাৰে: আৰএছএছ প্ৰধান মোহন ভাগৱত

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৭:২৯



নতুন দিল্লী, ২৫ নৱেম্বৰ: বিশ্বৰ কোনো শক্তিশালী দেশে ভাৰতৰ উন্নতি নিবিচাৰে বুলি মন্তব্য কৰিছে আৰএছএছৰ মুৰব্বী মোহন ভাগৱতে। মহাৰাষ্ট্ৰৰ ছত্ৰপতি সম্ভাজীনগৰত বুধবাৰে অনুষ্ঠিত পঞ্চম 'পদ্মা ফেষ্টিভেল'ৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি তেওঁ এই মন্তব্য কৰে। ভাগৱতে কয় যে বিশ্বৰ শক্তিশালী দেশসমূহে নিজৰ আধিপত্য বজাই ৰাখিবলৈ আন দেশসমূহক হেঁচাত ৰাখিব বিচাৰে, কিন্তু ভাৰতৰ চিন্তাধাৰা সম্পূৰ্ণ সুকীয়া। ভাৰতক ঘৃণা কৰা দেশকো সংকটৰ সময়ত ভাৰতে সহায়ৰ হাত আগবঢ়ায়।

ভাগৱতে কয় যে বিশ্বৰ শক্তিশালী দেশসমূহে 'চার্ভাইভেল অৱ দ্য ফিটেষ্ট' নীতিৰে কাম কৰে। অৰ্থাৎ যাৰ শক্তি বেছি, সেই দেশেই আধিপত্য বজাই ৰাখিব পাৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6335

দেশ

হিন্দু মহিলা শিৰৰ সেন্দূৰক লৈ অশ্লীল মন্তব্য ইউটিউবাৰ, কমেডিয়ান যশ মহেশ্বৰীৰ, পাটনাত এজাহাৰ

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৭:২৭



নতুন দিল্লী, ২৫ নৱেম্বৰ: ছট পূজাৰ সময়ত বিহাৰৰ মহিলাসকলে কপালত দীঘলকৈ সেন্দূৰ লোৱা পৰম্পৰাক লৈ অশালীন মন্তব্য কৰি তীব্ৰ বিতৰ্কত সোমাই পৰিছে ষ্টেণ্ড-আপ কমেডিয়ান যশ মাহেশ্বৰী। সামাজিক মাধ্যমত এই মন্তব্যক লৈ ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ পাছত পাটনা আৰক্ষীয়ে তেওঁৰ বিৰুদ্ধে এখন এজাহাৰ ৰুজু কৰিছে। নিজৰ ইউটিউব চেনেলত প্ৰকাশ কৰা 'মৱেলি কুৱেচনেবল' শীৰ্ষক এটা ষ্টেণ্ড-আপ কমেডী ভিডিঅ'ত যশ মাহেশ্বৰীয়ে এই আপত্তিজনক মন্তব্য কৰা দেখা গৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6333

প্ৰযুক্তি

যোৰহাট আৰু শিলচৰত দুটা ডাটা চেণ্টাৰ নিৰ্মাণ কৰিব এয়াৰটেলে, বিনিয়োগ হ'ব ৪৫৫ কোটি টকা

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৭:১৫



গুৱাহাটী, ২৫ নৱেম্বৰ: অসমৰ ডিজিটেল আন্তঃগাঁথনি অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে যোৰহাট আৰু শিলচৰত দুটা বৃহৎ ডাটা চেণ্টাৰ নিৰ্মাণৰ পৰিকল্পনা কৰিছে ভাৰতী এয়াৰটেলে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6322

অসম

গুৱাহাটীৰ জয়ানগৰত ভাঙি পেলোৱা হ'ল জুবিন গাৰ্গৰ স্মৃতি বিজড়িত বৃন্দাবন মাৰ্কেট

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, আবেলি ৬:১৬



গুৱাহাটী, ২৪ নৱেম্বৰ:
ভাঙি পেলোৱা হৈছে মহানগৰীৰ জয়ানগৰত অৱস্থিত বিশিষ্ট কণ্ঠশিল্পী জুবিন গাৰ্গৰ স্মৃতি বিজড়িত 'বৃন্দাবন মাৰ্কেট' ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6304

দেশ

শিলচৰৰ ডলুত নতুন গ্ৰীণফিল্ড বিমানবন্দৰ নিৰ্মাণত কেন্দ্ৰীয় কেবিনেটৰ অনুমোদন, ব্যয় হ'ব ২,০১৪ কোটি টকা

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, আবেলি ৫:১৪



গুৱাহাটী, ২৫ নৱেম্বৰ: অসমৰ বৰাক উপত্যকাৰ বিমান যোগাযোগ ব্যৱস্থা অধিক উন্নত কৰাৰ লক্ষ্যৰে শিলচৰৰ ডলুত নতুন গ্ৰীণফিল্ড বিমানবন্দৰ নিৰ্মাণৰ প্ৰস্তাৱত কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত বুধবাৰে অনুষ্ঠিত কেবিনেট বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। প্ৰকল্পটোৰ বাবে ২,০১৪ কোটি টকা অনুমোদন দিয়া হৈছে।

কেবিনেট বৈঠকৰ অন্তত কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই সিদ্ধান্তৰ কথা সদৰী কৰি জনায় যে এই নতুন বিমানবন্দৰটোৱে কেৱল বৰাক উপত্যকাৰ বাবেই নহয়, চুবুৰীয়া উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বাবেও এক গুৰুত্বপূৰ্ণ যোগাযোগ কেন্দ্ৰ হিচাপে কাম কৰিব।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6294

মনোৰঞ্জন

অস্কাৰৰ দৌৰত 'ৰামায়ণ': শ্ৰেষ্ঠ ভিজুৱেল ইফেক্টছৰ শীৰ্ষ ২০খন ছবিৰ তালিকাত স্থান লাভ

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, আবেলি ৪:১৬



মুক্তিৰ পূৰ্বেই আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ জগতত ব্যাপক চৰ্চা লাভ কৰিছে নীতেশ তিৱাৰীৰ পৰিচালনাত নিৰ্মিত ছবি 'ৰামায়ণে'।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6272

উত্তৰ-পূৰ্বাঞ্চল

শিশুৰ যৌন নিৰ্যাতনৰ গোচৰত মেঘালয়ত অভিযুক্তক ৩০ বছৰৰ সশ্ৰম কাৰাদণ্ড

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, আবেলি ৪:০৬



নংষ্টইন: মেঘালয়ৰ নংষ্টইনৰ বিশেষ পক্সো আদালতে এটি শিশুৰ ওপৰত যৌন নিৰ্যাতন চলোৱাৰ অপৰাধত প্ৰিষ্ণ প্ৰদীপ নংবছাপ নামৰ এজন ব্যক্তিক ৩০ বছৰৰ সশ্ৰম কাৰাদণ্ড বিহিছে। কাৰাদণ্ডৰ উপৰি আদালতে দোষী সাব্যস্ত হোৱা লোকজনক ৩০ হাজাৰ টকাৰ জৰিমনা বিহাৰ লগতে ভুক্তভোগী শিশুটিক ৭ লাখ টকাৰ ক্ষতিপূৰণ প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়ে। পূব পশ্চিম খাচী পাহাৰ জিলা আৰক্ষীৰ তথ্য অনুসৰি, ২০২৪ চনৰ নৱেম্বৰ আৰু ডিচেম্বৰ মাহত এগৰাকী বিশেষভাৱে সক্ষম শিশুৰ ওপৰত তিনিবাৰকৈ যৌন নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপন হৈছিল প্ৰিষ্ণ প্ৰদীপ নংবছাপৰ বিৰুদ্ধে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6242

উত্তৰ-পূৰ্বাঞ্চল

অস্কাৰৰ দৌৰত নাগালেণ্ডৰ ছবি 'আংঘ': ২০২৭ বৰ্ষৰ যোগ্যতা তালিকাত লাভ কৰিলে স্থান

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, আবেলি ৪:০৪



উত্তৰ-পূবৰ চলচ্চিত্ৰ জগতলৈ আহিছে এক গৌৰৱৰ খবৰ। নাগালেণ্ডৰ পটভূমিত নিৰ্মিত কন্যাক ভাষাৰ ছবি 'আংঘ' (Angh)-এ ২০২৭ বৰ্ষৰ অস্কাৰৰ আন্তঃৰাষ্ট্ৰীয় পূৰ্ণদৈৰ্ঘ্য চলচ্চিত্ৰ শাখাৰ যোগ্যতাৰ তালিকাত স্থান লাভ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6240

অসম

এপ্ৰিলত মুকলি হ'ব জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্প, ঘোষণা মুখ্যমন্ত্ৰীৰ

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, আবেলি ৪:০১



২৫ নৱেম্বৰ, ২০২৬

ৰাজ্যবাসীলৈ বিহুৰ উপহাৰ হিচাপে অহা এপ্ৰিল মাহত জাগীৰোডৰ বহুচৰ্চিত ছেমিকণ্ডাক্টৰ প্ৰকল্পটো মুকলি কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই প্ৰকল্পটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব বুলি ঘোষণা কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে সদৰী কৰা অনুসৰি, জাগীৰোডৰ এই ছেমিকণ্ডাক্টৰ উদ্যোগটোত প্ৰায় ২৭ হাজাৰ কোটি টকা ব্যয় কৰা হৈছে। প্ৰকল্পটোত ইতিমধ্যে পৰীক্ষামূলকভাৱে চিপছ নিৰ্মাণৰ কাম আৰম্ভ হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6256

মনোৰঞ্জন

গুৱাহাটীত ১২ ডিচেম্বৰত মোহিত চৌহানৰ সংগীতানুষ্ঠান, আৰম্ভ হ'ব 'ৰকষ্টাৰ মেক্সিমাছ ট্যুৰ'

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫১



গুৱাহাটী: অহা ডিচেম্বৰ মাহত উত্তৰ-পূৰ্বাঞ্চলৰ সংগীতপ্ৰেমীসকলৰ বাবে আহিছে এক সুখবৰ। বলীউডৰ জনপ্ৰিয় কণ্ঠশিল্পী মোহিত চৌহানে অসম আৰু মেঘালয়ত দুটাকৈ সংগীতানুষ্ঠানত অংশগ্ৰহণ কৰিব। ইয়াৰ ভিতৰত গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া সংগীতানুষ্ঠানটোৰ জৰিয়তে শিল্পীগৰাকীৰ 'ৰকষ্টাৰ মেক্সিমাছ ট্যুৰ'ৰ বিশ্বজোৰা যাত্ৰা আৰম্ভ হ'ব। অহা ১২ ডিচেম্বৰত গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত এই বৃহৎ সংগীতানুষ্ঠান অনুষ্ঠিত হ'ব। শনিবাৰে বিয়লি ৩ বজাৰ পৰা আৰম্ভ হ'বলগীয়া অনুষ্ঠানটোৰ বাবে ইতিমধ্যে আয়োজকসকলে প্ৰস্তুতি আৰম্ভ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6221

উত্তৰ-পূৰ্বাঞ্চল

শ্বিলঙৰ ৰ'পৰে প্ৰকল্পৰ স্থান সলনিৰ দাবী: ৰাজ্যপালৰ হস্তক্ষেপ বিচাৰিলে প্ৰতিবাদী সমিতিয়ে

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৫



শ্বিলং, ২৫ নৱেম্বৰ: মেঘালয়ৰ শ্বিলঙত প্ৰস্তাৱিত ৰ'পৰে প্ৰকল্পৰ নিৰ্ধাৰিত স্থান সলনিৰ দাবীত প্ৰতিবাদ অব্যাহত ৰাখিছে জইণ্ট একশ্যন কমিটী চমুকৈ জেএচিয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6229

অসম

পশ্চিম কাৰ্বি আংলঙত বিদ্যুৎ প্ৰকল্পৰ বাবে বনভূমি ব্যৱহাৰত কেন্দ্ৰৰ অনুমোদন, ১৯০.৭ হেক্টৰ বনভূমিত কটা হ'ব ৩,৯৪০ জোপা গছ আৰু ২.৬৬ লাখ বাঁহ

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪৮



পশ্চিম কাৰ্বি আংলঙত এটা বৃহৎ জলবিদ্যুৎ শক্তি সংৰক্ষণ প্ৰকল্প নিৰ্মাণৰ বাবে ১৯০.৭ হেক্টৰ বনভূমি ব্যৱহাৰৰ প্ৰস্তাৱত নীতিগত অনুমোদন জনাইছে কেন্দ্ৰীয় চৰকাৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6215

অসম

দীৰ্ঘদিন ধৰি ৰাজ্যপালৰ বিবেচনাধীন কাৰ্বি আংলঙৰ দুখন বিধেয়ক কে লৈ উচ্চ ন্যায়ালয়ৰ জাননী

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪০



গুৱাহাটী: কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে গৃহীত কৰা দুখন বিধেয়ক দীৰ্ঘদিন ধৰি ৰাজ্যপালৰ ওচৰত বিবেচনাধীন হৈ থকা ঘটনাক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যপালৰ সচিবলৈ জাননী জাৰি কৰিছে। দাখিল কৰা এখন আবেদনৰ শুনানি গ্ৰহণ কৰি আদালতে অহা শুনানিৰ পূৰ্বে এই সন্দৰ্ভত উত্তৰ দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ কৌশিক গোস্বামীৰে গঠিত খণ্ড বিচাৰপীঠে বিষয়টোৰ শুনানি গ্ৰহণ কৰি এই নিৰ্দেশনা প্ৰদান কৰে। আদালতত এই গোচৰটোৰ পৰৱৰ্তী শুনানিৰ তাৰিখ ২০২৭ চনৰ ২৫ জানুৱাৰী ধাৰ্য কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6213

আন্তঃৰাষ্ট্ৰীয়

প'টো ৰিকোৰ জেনিফাৰ বাৰেটোৰ শিৰত মিছ ইউনিভাৰ্ছ ২০২৬ৰ মুকুট

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২৮



২৫ নৱেম্বৰ, ২০২৬

মিছ ইউনিভাৰ্ছ ২০২৬ৰ খিতাপ সুন্দৰী প'টো ৰিকোৰ লৈ। জেনিফাৰ বাৰেটোৰ শিৰত জিলিকিল বিশ্ব সুন্দীৰৰ মুকুট। ৭৫সংখ্যক মিছ ইউনিভাৰ্ছ প্ৰতিযোগিতা জিনিলে জেনিফাৰ বাৰেটোৱে।

প'টো ৰিকোৰ ছান জুয়ানত অনুষ্ঠিত ৭৫সংখ্যক মিছ ইউনিভাৰ্ছ প্ৰতিযোগিতাত পুৱেটো ৰিকোৰ জেনিফাৰ বাৰেটোৱে ২০২৬ বৰ্ষৰ মিছ ইউনিভাৰ্ছৰ খিতাপ অৰ্জন কৰিছে। এই বিজয়েৰে ২৭ বছৰীয়া জেনিফাৰে দেশখনলৈ ষষ্ঠটো মিছ ইউনিভাৰ্ছৰ মুকুট কঢ়িয়াই আনে। বিশ্বৰ ১১৬খন দেশৰ প্ৰতিযোগীয়ে এইবাৰৰ প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6207

উত্তৰ-পূৰ্বাঞ্চল

মণিপুৰত নিষিদ্ধ সংগঠন কেচিপিৰ ৭ সদস্যক গ্ৰেপ্তাৰ, বৃহৎ পৰিমাণৰ মাৰণাস্ত্ৰ জব্দ

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২২



মণিপুৰৰ ইম্ফল পশ্চিম আৰু ইম্ফল পূব জিলাৰ বিভিন্ন স্থানত নিৰাপত্তা বাহিনীয়ে চলোৱা অভিযানত নিষিদ্ধ ঘোষিত সংগঠন কাংলেইপাক কমিউনিষ্ট পাৰ্টী চমুকৈ কেচিপিৰ সাতজন কেডাৰক গ্ৰেপ্তাৰ কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6171

অসম

কুশিয়াৰা নদীত উদ্ধাৰ সন্ধানহীন BSF জোৱানৰ মৃতদেহ, মৃত্যুৰ কাৰণক লৈ ৰহস্য

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪৯



শ্ৰীভূমিৰ ভাৰত-বাংলাদেশ সীমান্তত দুদিন ধৰি সন্ধানহীন হৈ থকা বিএছএফ জোৱান কে ভেনুৰ মৃতদেহ অৱশেষত উদ্ধাৰ হৈছে। বুধবাৰে পুৱা ষ্টীমাৰঘাটৰ সমীপত কুশিয়াৰা নদীৰ পৰা জোৱানজনৰ মৃতদেহ উদ্ধাৰ কৰা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6163

দেশ

উত্তৰ প্ৰদেশ নিৰ্বাচন: কংগ্ৰেছক প্ৰথম পৰ্যায়ত ২৬ খন আসন এৰি দিয়াৰ প্ৰস্তাৱ সমাজবাদী পাৰ্টীৰ

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:০৪



নতুন দিল্লী, ২৪ নৱেম্বৰ: উত্তৰ প্ৰদেশ বিধানসভা নিৰ্বাচনৰ বাবে সমাজবাদী পাৰ্টী আৰু কংগ্ৰেছৰ মাজত আসন ভাগ-বতৰাক লৈ মঙলবাৰে নতুন দিল্লীত এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। সমাজবাদী পাৰ্টীয়ে প্ৰথম পৰ্যায়ত কংগ্ৰেছক ২৬ খন আসন এৰি দিয়াৰ প্ৰস্তাৱ আগবঢ়ায় যদিও কংগ্ৰেছে এই প্ৰস্তাৱ নাকচ কৰা বুলি সূত্ৰত প্ৰকাশ। তিনি ঘণ্টাতকৈ অধিক সময় ধৰি চলা এই বৈঠকত দুয়োটা দলেই মিত্ৰজোঁটক চূড়ান্ত ৰূপ দিয়াৰ বাবে গঠনমূলক আলোচনা অব্যাহত ৰখাৰ কথা ব্যক্ত কৰে।

কংগ্ৰেছৰ ৰাজ্যসভাৰ সাংসদ প্ৰমোদ তিৱাৰীৰ বাসভৱনত মঙলবাৰে সমাজবাদী পাৰ্টী আৰু কংগ্ৰেছৰ মাজত নিৰ্বাচনী বুজাবুজি সন্দৰ্ভত বৈঠক অনুষ্ঠিত হয়। বৈঠকত সমাজবাদী পাৰ্টীৰ হৈ দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা ৰাজ্যসভাৰ সাংসদ ৰাম গোপাল যাদৱ, লোকসভাৰ সাংসদ ৰাজীৱ ৰায়, সাংসদ ইক্ৰা চৌধুৰী, সাংসদ অৱধেশ প্ৰসাদ আৰু ৰাজ্যিক সভাপতি শ্যাম লাল পাল উপস্থিত থাকে। আনহাতে কংগ্ৰেছৰ হৈ ৰাজ্যিক প্ৰভাৰী ৰাজেন্দ্ৰ পাল গৌতম, ৰাজ্যিক সভাপতি আৰাধনা মিশ্ৰ, কাৰ্যকৰী সভাপতি তথা সাংসদ ইমৰান মাছুদ আৰু বিধায়ক বীৰেন্দ্ৰ চৌধুৰী আলোচনাত মিলিত হয়।

বৈঠকৰ পাছত কংগ্ৰেছ নেতাসকলে নিজাবৰীয়াকৈ আন এখন বৈঠকত মিলিত হৈ দলীয় কৌশল নিৰ্ধাৰণ কৰে। মিত্ৰজোঁটত বাওঁপন্থী দল চিপিআই(এমএল) লিবাৰেচনৰ দৰে অন্যান্য দলসমূহকো সামৰি লোৱাৰ বিষয়ে দল দুটাই বিবেচনা কৰিছে।

সমাজবাদী পাৰ্টীৰ সভাপতি অখিলেশ যাদৱে সামাজিক মাধ্যমত জনায় যে প্ৰথম ২৬ খন জয়যোগ্য আসনেৰে আৰম্ভণি কৰা হৈছে আৰু পাৰস্পৰিক বুজাবুজিৰে সকলো আগবাঢ়িব।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6083

অসম

দুলীয়াজানৰ ভূঞা পৰিয়ালৰ ট্ৰিপল মাৰ্ডাৰ কাণ্ডৰ দুই অভিযুক্তলৈ আৰক্ষীৰ গুলী

আইনুল আহমেদ | ২৫ নৱেম্বৰ ২০২৬, পুৱা ১০:০৭



দুলীয়াজানৰ চাঞ্চল্যকৰ ভূঞা পৰিয়ালৰ ট্ৰিপল মাৰ্ডাৰ কাণ্ডৰ দুই অভিযুক্ত ৰাজু আৰু অমিৰ আৰক্ষীৰ গুলীত আহত হৈছে। হত্যাকাণ্ডত ব্যৱহৃত মুখ্য অস্ত্ৰ উদ্ধাৰৰ অভিযান চলাবলৈ নিয়াৰ সময়তে এই ঘটনা সংঘটিত হয়। ডিব্ৰুগড় আৰক্ষীৰ অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰ্মল ঘোষে জানিবলৈ দিয়া অনুসৰি, হত্যাকাণ্ডত ব্যৱহৃত মুখ্য অস্ত্ৰৰ সন্ধানত ডিব্ৰুগড় আৰক্ষীৰ এটা দলে দুই অভিযুক্তক লৈ দুলীয়াজানৰ বালিজান চাহ বাগিচালৈ গৈছিল।

আৰক্ষীৰ ভাষ্য অনুসৰি, নিশা প্ৰায় ১১ বজাত অভিযান চলি থকাৰ সময়তে দুই অভিযুক্তই আৰক্ষীৰ লোকক আক্ৰমণ কৰি আক্ষাৰৰ সুযোগ লৈ পলায়নৰ চেষ্টা কৰে। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষীয়ে মুঠ পাঁচ জাঁই গুলীচালনা কৰে। ইয়াৰে চাৰিজাঁই গুলী দুই অভিযুক্তৰ ভৰিত লাগে। গুলীচালনাত ৰাজুৰ সোঁ ভৰি আৰু অমিৰৰ বাওঁ ভৰিত আঘাত লাগে। আনহাতে, অভিযুক্ত দুজনৰ আক্ৰমণত দুজন আৰক্ষীৰ লোকো আহত হয়। আহত আৰক্ষীৰ লোক দুজনক দুলীয়াজানৰ চিকিৎসালয়ত চিকিৎসা প্ৰদান কৰা হয়। ইফালে, আহত দুই অভিযুক্তক নিশা প্ৰায় ২ বজাত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ জৰুৰীকালীন বিভাগত ভৰ্তি কৰোৱা হয়। বৰ্তমান দুয়ো চিকিৎসাধীন হৈ আছে।

উল্লেখ্য যে, ভূঞা পৰিয়ালৰ তিনিগৰাকী সদস্যক হত্যা কৰা ঘটনাৰ তদন্ত অব্যাহত আছে। হত্যাকাণ্ডত ব্যৱহৃত মুখ্য অস্ত্ৰ উদ্ধাৰৰ অভিযানৰ সময়তে এই আৰক্ষীৰ গুলীচালনাৰ ঘটনা সংঘটিত হয়।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6059

অসম

ডিগবৈত নির্মিয়মান ৪২ কোটি টকীয়া পানী যোগান প্রকল্প পৰিদর্শন বিধায়ক সুৰেন ফুকনৰ

বিজয় সূত্রধৰ | ২৫ নৱেম্বৰ ২০২৬, পুৱা ১০:২৮



স্বাধীনতাৰ পাছৰে পৰা খোৱাপানী সমস্যাত ভোগী থকা ডিগবৈ চহৰ বাসীক সকাহ দিয়াৰ উদ্দেশ্যৰে বিজেপিৰ নেতৃত্বাধীন ৰাজ্য চৰকাৰে ৪১ কোটি ৬৮ লাখ ৮০ হাজাৰ টকাৰ ডিগবৈ পানী যোগান প্রকল্পটো পলমকৈ হলেও পুনৰ ক্ষীপ্র গতিত নির্মাণৰ কাম আৰম্ভ কৰিছে। বিশুদ্ধ খোৱাপানী লাভ কৰাৰ সপোন এতিয়া বাস্তৱায়িত হোৱাৰ পথত।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6067

অসম

মার্ঘেৰিটাত বর্ণাঢ্য কার্যসূচীৰে আৰম্ভ বীৰ লাচিত সেনা, অসমৰ কেন্দ্রীয় লাচিত দিৱস

শ্যাম যাদৱ | ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:০৮



মার্ঘেৰিটাত বর্ণাঢ্য কার্যসূচীৰে আৰম্ভ বীৰ লাচিত সেনা, অসমৰ কেন্দ্রীয় লাচিত দিৱস

বীৰ লাচিত সেনা, অসমৰ কেন্দ্রীয় সমিতিৰ উদ্যোগত, তিনিচুকীয়া জিলা সমিতিৰ আতিথ্যত তথা মার্ঘেৰিটা আঞ্চলিক সমিতি আৰু স্থানীয় ৰাইজৰ সহযোগত উত্তৰ মার্ঘেৰিটা ৰঙ্গমঞ্চত আজিৰে পৰা দুদিনীয়া বর্ণাঢ্য কার্যসূচীৰে কেন্দ্রীয় লাচিত দিৱস উদযাপন আৰম্ভ হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6141

অসম

নাৰী কেলেংকাৰীত নাম সাঙোৰ খোৱা বিধানসভাৰ উপাধ্যক্ষৰ বিৰুদ্ধে এজাহাৰ দিয়াৰ পাছতো গোচৰ ৰুজু নকৰাৰ অভিযোগত সৰৱ বিধায়ক অখিল গগৈ

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪৫



২৫ নৱেম্বৰ, ২০২৬

এগৰাকী মহিলাই ইমান স্পষ্টকৈ গোচৰ দিয়াৰ পিছতো কোনো এক্সন নোলোৱাটো দূর্ভাগ্যজনক! 'এই ঘটনাত আৰঁত সম্পূণৰূপে জড়িত আছে মুখ্যমন্ত্রী ' । প্রথমে পৰকীয়া প্রেম, তাৰ পাছত সন্তান জন্ম! বিধানসভাৰ উপাধ্যক্ষ ডঃ হাবে টেৰণৰ -প্রসংগত সংবাদমেল সম্বোধন কৰি এই মন্তব্য বিধায়ক অখিল গগৈৰ ।

অসম বিধানসভাৰ উপাধ্যক্ষৰ বিৰুদ্ধে এগৰাকী মহিলাই উত্থাপন কৰা অভিযোগৰ ভিত্তিত আৰক্ষীয়ে গোচৰ ৰুজু নকৰা ঘটনাক লৈ তীব্র প্রতিক্রিয়া প্রকাশ কৰিছে শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6147

অসম

ডঃ হাবে টেৰণৰ বিৰুদ্ধে অভিযোগ তোলা মহিলাগৰাকীক সমর্থন কার্বি আংলং জিলা কংগ্রেছৰ

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:০০



ডিফু: অসম বিধানসভাৰ উপাধ্যক্ষ তথা বিজেপি বিধায়ক ডঃ হাবে টেৰণৰ বিৰুদ্ধে এগৰাকী মহিলাই উত্থাপন কৰা গুৰুতৰ অভিযোগক লৈ সৰৱ হৈ পৰিছে কার্বি আংলং জিলা কংগ্রেছ।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6167

অসম

ডিবাং বান্ধৰ বিৰুদ্ধে ডিব্রুগড়ত তীব্র প্রতিবাদ! বৃহৎ নদীবান্ধ বন্ধৰ দাবীত সৰৱ কেইবাটাও সংগঠন

আইনুল আহমেদ | ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩১



আজি ডিব্রুগড়ত 'STOP BIG DAM' শীর্ষক যৌথ সংবাদমেলৰ জৰিয়তে বৃহৎ নদীবান্ধৰ বিৰুদ্ধে মুকলি স্থিতি গ্রহণ কৰে People's Forum Against Big Dam, Adi Bane Kebang United, Adi Galo Welfare Society আৰু Dibang Dam Assam Arunachal Downstream Action Alliance-এ।

সংবাদমেলত সংগঠনসমূহে স্পষ্টকৈ সকীয়াই দিয়ে যে ডিবাং নদীত নির্মাণ হ'বলগীয়া বৃহৎ বান্ধ কেৱল এটা প্রকল্প নহয়, বৰঞ্চ অসম আৰু অৰুণাচলৰ ভাটি অঞ্চলৰ লাখ লাখ লোকৰ জীৱন, জীৱিকা আৰু ভৱিষ্যতৰ প্রতি এক বৃহৎ ভাবুকি।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6155

অসম

এনকাউণ্টাৰ দুইজন হত্যাকাৰীক । দুলীয়াজানৰ লীয়াজানৰ ট্রিপল মার্ডাৰ কেছ

অভিজিৎ বিশ্বাস | ২৫ নৱেম্বৰ ২০২৬, পুৱা ১০:৫৫



দুলীয়াজান ট্রিপল হত্যাকাণ্ডৰ দুয়োটা মূল অভিযুক্তক আৰক্ষীৰ এনকাউণ্টাৰ! গুলী লাগি আহত ৰাজু দাস আৰু আমিৰ দাস, দুজন আৰক্ষী কর্মীও আহত। ঘটনাস্থলীৰ পৰা এটা খালী কার্টুজো উদ্ধাৰ। হত্যাকাণ্ডৰ পিছৰে পৰা দুয়োটা অভিযুক্তৰ এনকাউণ্টাৰৰ দাবী উত্থাপন হৈ আছিল।

অসমৰ দুলীয়াজান কমলাবাৰীত সংঘটিত চাঞ্চল্যকৰ ট্রিপল মার্ডাৰ কেছত এক ডাঙৰ মোৰ সন্মুখলৈ আহিছে। এই হত্যাকাণ্ডৰ দুয়োটা মূল অভিযুক্ত ৰাজু দাস আৰু আমিৰ দাস আৰক্ষীৰ এনকাউণ্টাৰত গুলী লাগি আহত হৈছে। আনহাতে, এই ঘটনাত দুজন আৰক্ষী কনিষ্টবলো আহত হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6063

অসম

উপাধ্যক্ষ ডাঃ হবে টেৰণৰ বিৰুদ্ধে পৰকীয়া প্রেম আৰু প্রতাৰণাৰ অভিযোগ মহিলাৰ; বিষয়টোক লৈ ক'বলগীয়া নাই মুখ্যমন্ত্রীৰ

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩৯



অসম বিধানসভাৰ উপাধ্যক্ষ তথা বিজেপি বিধায়ক ড০ হাবে টেৰণৰ বিৰুদ্ধে এগৰাকী মহিলাই উত্থাপন কৰা গুৰুতৰ অভিযোগ সন্দর্ভত প্রতিক্রিয়া প্রকাশ কৰিছে মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6159

অসম

৯৯ বছৰত ভৰি দিলে হাউলীৰ ৰাস মহোৎসৱে: শতবর্ষীয় অনুষ্ঠানলৈ প্রধানমন্ত্রী মোদীক আমন্ত্রণৰ পৰিকল্পনা

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২২



হাউলী, ২৪ নৱেম্বৰ: অসমৰ ঐতিহ্যবাহী ধর্মীয় তথা সাংস্কৃতিক উৎসৱ হাউলীৰ ৰাস মহোৎসৱে এইবাৰ ৯৯ বছৰত ভৰি দিলে। মঙলবাৰে অসম বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে ৯৯ সংখ্যক ৰাস মহোৎসৱ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6172

অসম

'গুলি কৰি মাৰিলেও, জ্বলাই মাৰিলেও ক'বলগীয়া নাই,' ক'লে দুলীয়াজান হত্যাকাণ্ডৰ অভিযুক্ত অমিৰৰ পিতৃয়ে

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩১



দুলীয়াজান, ২৮ নৱেম্বৰ: দুলীয়াজানৰ ভূঞা পৰিয়ালৰ তিনিজন লোকৰ হত্যাকাণ্ডৰ অভিযুক্ত আমিৰ দাসৰ বিৰুদ্ধে উত্থাপিত অভিযোগ সন্দর্ভত প্রতিক্রিয়া প্রকাশ কৰিছে তেওঁৰ পিতৃ অজেন দাসে। পুত্রই অপৰাধ সংঘটিত কৰা বুলি প্রমাণিত হ'লে তেওঁ শাস্তি পোৱা উচিত বুলি স্পষ্ট কৰি দিছে পিতৃয়ে। আনকি আদালতে কঠোৰতম শাস্তি বিহিলেও তেওঁলোকৰ কোনো আপত্তি নাথাকিব বুলিও তেওঁ জনায়।

অৱশ্যে আৰক্ষীৰ গুলীচালনাত পুত্র আহত হোৱা ঘটনাক লৈ উদ্বেগ প্রকাশ কৰে অজেন দাসে। তেওঁ কয় যে আমিৰে ভুল কাম কৰিছে যদিও এনেদৰে কোনো লোকক গুলীয়াই হত্যা কৰা উচিত নহয়। পুত্রৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ বাবে আইনে যি শাস্তি নির্ধাৰণ কৰে, সেয়া মানি ল'বলৈ পৰিয়ালটো সাজু বুলি তেওঁ প্রকাশ কৰে।

অজেন দাসে জনোৱা মতে, কামলৈ ওলাই যোৱাৰ কথা কৈয়েই আমিৰ ঘৰৰ পৰা গৈছিল। তাৰ পিছত পুত্র ক'ত আছিল, সেই বিষয়ে পৰিয়ালৰ লোকসকল অৱগত নাছিল। আৰক্ষীৰ অভিযান আৰু গুলীচালনাৰ ঘটনাৰ বিষয়েও পৰিয়ালে আগতীয়াকৈ কোনো খবৰ পোৱা নাছিল। ঘটনাৰ দিনা পুৱা এজন ব্যক্তিয়ে দিয়া খবৰৰ পিছতহে পৰিয়ালটোৱে সমগ্র ঘটনাটো জানিব পাৰে।

পিতৃয়ে লগতে উল্লেখ কৰে যে তেওঁলোকৰ পৰিয়ালৰ কোনো লোকেই স্মার্টফোন ব্যৱহাৰ নকৰে। যাৰ বাবে পুত্রৰ সৈতে জড়িত ঘটনাৰ শেহতীয়া কোনো তথ্য বা বাতৰি তেওঁলোকে পোৱা নাছিল।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6178

অসম

গো-শালাত ৫০০ গৰুৰ ভুৱা মৃত্যুৰ তথ্য দাখিলৰ অভিযোগ, তদন্তৰ দাবী

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩৫



হাটশিঙিমাৰী: দক্ষিণ শালমাৰা-মাণকাচৰ জিলাৰ হাটশিঙিমাৰীৰ এখন গো-শালাত প্রায় ৫০০টা গৰুৰ মৃত্যুৰ তথ্যক লৈ গুৰুতৰ বিসংগতি পোহৰলৈ আহিছে। তথ্য জনাৰ অধিকাৰ আইন চমুকৈ আৰটিআইৰ জৰিয়তে লাভ কৰা তথ্যৰ ভিত্তিত গো-শালাখনত জব্দকৃত গৰুৰ ৰক্ষণাবেক্ষণক লৈ প্রশ্ন উত্থাপন হৈছে। ভাৰত-বাংলাদেশ সীমান্তৰ মাণকাচৰ অঞ্চলত আৰক্ষী আৰু বিএছএফে জব্দ কৰা গৰুসমূহ আদালতৰ নির্দেশ মর্মে হাটশিঙিমাৰীৰ জনকল্যাণ সমিতিৰ গো-শালাত ৰখাৰ ব্যৱস্থা কৰা হৈছিল।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6181

অসম

কামাখ্যা ৰে'ল ষ্টেচনত ১.৪৭ লাখ টকাৰ জাল নোট জব্দ, বিহাৰৰ দুজন লোক গ্রেপ্তাৰ

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩৫



গুৱাহাটী: গুৱাহাটীৰ কামাখ্যা ৰে'ল ষ্টেচনত ৰে'ল আৰক্ষীয়ে (জিআৰপি) এক অভিযান চলাই বৃহৎ পৰিমাণৰ জাল নোট জব্দ কৰাৰ লগতে দুজন লোকক গ্রেপ্তাৰ কৰিছে। ধৃত লোক দুজনৰ পৰা মুঠ ১ লাখ ৪৭ হাজাৰ টকাৰ জাল নোট উদ্ধাৰ কৰা হয়।

কামাখ্যা জিআৰপিৰ পৰিদর্শক যাদৱ চেতিয়াৰ নেতৃত্বত আৰক্ষীৰ এটা দলে ৰে'ল ষ্টেচনত এই অভিযান চলাইছিল।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6182

অসম

অজয় ডেকা হত্যাকাণ্ড: ১৯ বছৰৰ পাছত অগপ নেতা জিন্তু চৌধুৰী দোষী সাব্যস্ত

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:০৬



২০০৭ চনত গুৱাহাটীৰ নাৰেঙ্গীৰ সেনা ছাউনীত সংঘটিত লোকনির্মাণ বিভাগৰ কনিষ্ঠ অভিযন্তা অজয় ডেকা হত্যাকাণ্ডৰ গোচৰত কামৰূপ জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতে ১৯ বছৰৰ মূৰত এক গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰে। এই চাঞ্চল্যকৰ গোচৰটোত অসম গণ পৰিষদৰ (অগপ) নেতা জিন্তু চৌধুৰীক আদালতে দোষী সাব্যস্ত কৰিছে।

গোচৰটোত অভিযুক্ত আন পাঁচজন লোকক আদালতে নির্দোষী সাব্যস্ত কৰি দোষমুক্ত ঘোষণা কৰে। ইফালে, বিচাৰ চলি থকা অৱস্থাতে অনিল শৰণীয়া নামৰ এজন অভিযুক্তৰ মৃত্যু হৈছিল। উল্লেখ্য যে ২০০৭ চনত দিছপুৰ আৰক্ষী থানাত ৮৮৫/২০০৭ নম্বৰত অজয় ডেকা হত্যাকাণ্ডৰ এই গোচৰ ৰুজু কৰা হৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6203

অসম

গুৱাহাটীত পিতৃৰ পৰা কন্যা শিশুক কাঢ়ি নিয়াৰ অভিযোগ: পিছত আৰক্ষীক গতাই দিলে এহাল লোকে

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৩



গুৱাহাটী: গুৱাহাটীৰ পদুমবাৰী পেট্ৰ'ল পাম্পৰ সমীপত এজন পিতৃৰ পৰা তেওঁৰ আঢ়ৈ বছৰীয়া কন্যা শিশুক বলপূৰ্বকভাৱে কাঢ়ি লৈ যোৱাৰ এক চাঞ্চল্যকৰ অভিযোগ উত্থাপন হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6223

অসম

৩ ডিচেম্বৰৰ পূৰ্বে প্ৰতিবন্ধীসকলৰ প্ৰতিশ্ৰুতি পূৰণৰ আহ্বানেৰে মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ বিচাৰিলে প্ৰতিবন্ধী সুৰক্ষা সংস্থাই

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫০



গুৱাহাটী:

আগন্তুক ৩ ডিচেম্বৰ অৰ্থাৎ বিশ্ব প্ৰতিবন্ধী দিৱসৰ পূৰ্বে বা সেই দিনটোতে প্ৰতিবন্ধীসকলৰ অন্ততঃ তিনিটা গুৰুত্বপূৰ্ণ দাবীৰ সন্দৰ্ভত চৰকাৰক স্পষ্ট সিদ্ধান্ত গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে প্ৰতিবন্ধী সুৰক্ষা সংস্থাই। গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত এক সংবাদমেলত সংগঠনটোৱে এই বিষয়ত ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ ব্যক্তিগত হস্তক্ষেপ দাবী কৰে।

সংগঠনটোৱে অভিযোগ কৰা অনুসৰি, বিভাগীয় মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰৰ সৈতে আলোচনা হোৱাৰ পাছতো প্ৰতিশ্ৰুতিসমূহ কাৰ্যকৰী হোৱা নাই। ২০২৫ চনৰ ২৪ ছেপ্টেম্বৰত মন্ত্ৰীগৰাকীৰ সৈতে হোৱা আনুষ্ঠানিক আলোচনাত দিব্যাংগ দীনদয়াল পেঞ্চন আঁচনি পুনৰ প্ৰৱৰ্তনৰ বিষয়টো উত্থাপন কৰা হৈছিল। এই আঁচনি পুনৰ প্ৰৱৰ্তন কৰা সম্ভৱ নহ'লে প্ৰতিবন্ধী সুৰক্ষা আইনৰ (আৰপিডব্লিউডি এক্ট) ২৪ নং ধাৰা অনুসৰি বৰ্তমানৰ আঁচনিৰ হাৰতকৈ ২৫ শতাংশ অতিৰিক্ত ধন প্ৰদানৰ ব্যৱস্থা কৰিবলৈও দাবী জনোৱা হৈছিল। কিন্তু এই সন্দৰ্ভত এতিয়ালৈকে কোনো কাৰ্যকৰী সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাই।

সংবাদমেলত সংস্থাটোৱে দৃষ্টিহীন বিদ্যালয় চৰকাৰীকৰণৰ দাবীও উত্থাপন কৰে। সংস্থাৰ প্ৰতিনিধিয়ে জনায় যে এই সন্দৰ্ভত বিভাগীয় মন্ত্ৰীয়ে চৰকাৰলৈ ইতিমধ্যে এখন পত্ৰ প্ৰেৰণ কৰিছে। এইক্ষেত্ৰত চৰকাৰৰ পৰৱৰ্তী পদক্ষেপৰ বাবে সংগঠনটোৱে অপেক্ষা কৰি আছে বুলিও প্ৰকাশ কৰে।

ইয়াৰ উপৰি প্ৰতিবন্ধী ব্যক্তিসকলৰ বাবে সংৰক্ষিত ৪,৪১৯টা বেকল'গ পদ শীঘ্ৰে পূৰণৰ দাবী জনায় সংস্থাটোৱে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6252

অসম

কাছাৰ জিলা বিজেপি সভাপতি ৰূপম সাহাৰ বিৰুদ্ধে ব্যাপক অনিয়মৰ গুৰুতৰ অভিযোগ বিধায়ক আমিনুল হক লস্কৰৰ

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, আবেলি ৪:১০



কাছাৰ জিলাৰ সোণাই বিধানসভা সমষ্টিত জিলা দুর্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ (ডিডিএমএ) অধীনত বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ নামত ব্যাপক অনিয়ম আৰু কেলেংকাৰি সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰিছে বিধায়ক আমিনুল হক লস্কৰে।

নিজ বাসগৃহত আয়োজিত এক সংবাদমেলত বিধায়কগৰাকীয়ে কাছাৰ জিলা বিজেপিৰ সভাপতি ৰূপম সাহা, ডিডিএমএৰ প্ৰকল্প বিষয়া শামীম আহমেদ আৰু সৰ্বশিক্ষাৰ সংশ্লিষ্ট অভিযন্তাৰ গোপন বুজাবুজিত সোণাইত অবাধ লুণ্ঠন চলি থকা বুলি বিস্ফোৰক অভিযোগ তোলে।

বিধায়ক আমিনুল হক লস্কৰে সদৰী কৰা মতে, ২০২২ চনৰ বানপানীত ক্ষতিগ্ৰস্ত শিক্ষানুষ্ঠান আৰু অংগনৱাড়ী কেন্দ্ৰসমূহৰ মেৰামতিৰ বাবে প্ৰায় ১৫ কোটি টকা আবণ্টন দিয়া হৈছিল। ইয়াৰে নিম্ন প্ৰাথমিক, মধ্য ইংৰাজী আৰু উচ্চ বিদ্যালয়সমূহৰ বাবে প্ৰায় ১৩ কোটি টকা আৰু অংগনৱাড়ী কেন্দ্ৰসমূহৰ বাবে প্ৰায় ২ কোটি টকা ধাৰ্য কৰা হৈছিল।

কিন্তু জিলা দুর্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই কোনো ধৰণৰ প্ৰাক্‌কলন আৰু কাৰিকৰী অনুমোদন অবিহনেই ঠিকাদাৰ নিযুক্তি দি কাম আৰম্ভ কৰাইছে বুলি বিধায়কগৰাকীয়ে অভিযোগ কৰে। সমষ্টিটোৰ অধিকাংশ কামৰ ঠিকা বিজেপিৰ জিলা সভাপতি ৰূপম সাহাই লাভ কৰা বুলিও তেওঁ দাবী কৰে।

বিজেপি নেতাজনে দলীয় কাম-কাজ এৰি সোণাইৰ উন্নয়নমূলক কামত হস্তক্ষেপ কৰি বিষয়া-কৰ্মচাৰীৰ সৈতে মিলি ব্যাপক লুণ্ঠন চলাইছে বুলি বিধায়কগৰাকীয়ে ক্ষোভ প্ৰকাশ কৰে। তেওঁ সমগ্ৰ বিষয়টোৰ উচিত তদন্ত দাবী কৰাৰ লগতে আগন্তুক বিধানসভাৰ অধিৱেশনত এই প্ৰসংগ উত্থাপন কৰিব বুলি স্পষ্ট কৰি দিয়ে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6264

অসম

ডুমডুমাত প্ৰস্তাৱিত উৰণ সেতু নিৰ্মাণৰ বিৰোধিতা স্থানীয় ৰাইজৰ, মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণৰ সিদ্ধান্ত

সুৰজিৎ চৌধুৰী | ২৫ নৱেম্বৰ ২০২৬, আবেলি ৪:১৯



তিনিচুকীয়া জিলাৰ ডুমডুমাত প্ৰস্তাৱিত উৰণ সেতু নিৰ্মাণক লৈ স্থানীয় ৰাইজৰ মাজত উদ্বেগৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত আজি ডুমডুমা উচ্চামাটি দুর্গা পূজা মণ্ডপত স্থানীয় ৰাইজৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়।

সভাত উপস্থিত বক্তাসকলে কয় যে স্থানীয় বিধায়ক ৰূপেশ গোৱালাৰ তৎপৰতাত ডুমডুমাক নতুন ৰূপ দিয়াৰ উদ্দেশ্যে গ্ৰহণ কৰা বিভিন্ন উন্নয়নমূলক পৰিকল্পনাৰ ভিতৰত উৰণ সেতু নিৰ্মাণৰ পৰিকল্পনাও অন্যতম।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6199

অসম

গাঞ্জা খেতিৰ ৰম্যভূমিলৈ পৰিণত দক্ষিণ কামৰূপৰ চৰাঞ্চল; আৱকাৰী আৰু আৰক্ষীৰ অভিযানত বৃহৎ পৰিমাণৰ খেতি ধ্বংস

মীৰ মুছাৰোফ হুছাইন | ২৫ নৱেম্বৰ ২০২৬, আবেলি ৪:২১



দক্ষিণ কামৰূপৰ একাংশ চৰাঞ্চলত অবৈধভাৱে চলি থকা গাঞ্জা খেতিৰ বিৰুদ্ধে অভিযান চলাই বৃহৎ পৰিমাণৰ খেতি ধ্বংস কৰিলে কামৰূপ জিলা আৱকাৰী বিভাগ আৰু আৰক্ষীয়ে। গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত যুটীয়াভাৱে চলোৱা এই অভিযানত বিঘাই বিঘাই গাঞ্জা খেতি কাটি তহিলং কৰাৰ লগতে থিতাতে জুই লগাই ধ্বংস কৰা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/6275

অসম

অসুস্থ অভিনেতা ৰূপম শর্মাৰ চিকিৎসাৰ বাবে আর্থিক সাহায্য মন্ত্রী জয়ন্ত মল্ল বৰুৱাৰ

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, আবেলি ৪:২২



অসমৰ সাংস্কৃতিক জগতৰ পৰিচিত অভিনেতা ৰূপম শর্মা জটিল ৰোগত আক্রান্ত হৈ গুৱাহাটীৰ নেমকেয়াৰ হাস্পতালৰ আই চি ইউত চিকিৎসাধীন হৈ আছে।অসুস্থ অভিনেতা ৰূপম শর্মাৰ চিকিৎসাৰ বাবে আর্থিক সাহায্য প্রদান কৰিছে মন্ত্রী জয়ন্ত মল্ল বৰুৱাই।

বিগত প্রায় দুবছৰ ধৰি অসুস্থতাত ভুগি থকা অভিনেতাগৰাকীৰ শেহতীয়াকৈ স্বাস্থ্যৰ অধিক অৱনতি ঘটাত পুনৰ হাস্পতালত ভর্তি কৰোৱা হয়। তেওঁৰ এই ব্যয়বহুল চিকিৎসাৰ বাবে পৰিয়ালৰ লোকে ৰাইজৰ সহায় বিচৰাৰ পিছতে ৰাজ্যৰ মন্ত্রী জয়ন্ত মল্ল বৰুৱাই অভিনেতাগৰাকীৰ উন্নত চিকিৎসাৰ বাবে আর্থিক সাহায্য আগবঢ়ায়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6268

অসম

মৰিগাঁৱত যান-বাহন নিয়ম উলংঘনকাৰী ২৩ জন চালকৰ অনুজ্ঞাপত্র নিলম্বন

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, আবেলি ৬:৩৫



DL SUSPENSION LIST – NOVEMBER 2026

Sl No	DL Number	Driver Name
1	AS0320240006190	PABITRA SAIKIA
2	AS3120220014198	RAJIBUL HUSSAIN
3	NL0220160021915	RAJU CHANDRA DAS
4	AS1120200001542	APU DAS
5	WB6320150950313	HIRAK ROY
6	AS3220250001687	ASHADUL ISLAM
7	AS3220240007964	SHAHIDUL ISLAM
8	AS0220120017571	MD GULZAR HUSSAIN
9	AS0220180000950	SAFIKUL ISLAM
10	AS1820230010470	TOGIR ALI
11	AS0220200004459	MAKMADUR HUSSAIN
12	AS3420240010817	MANTU NATH
13	ML0520260000278	WANSHAPHRANG PATHAW
14	AS3120220013452	JYOTISH BISWAS
15	AS2120000008011	BABUL CH BORA
16	AS2520230015661	UTPAL RAHANG
17	AS1520220029015	SHAHINUR HOQUE
18	AS2620240000513	TAFFJUL ISLAM
19	AS0220190006440	MERAJUL ISLAM
20	AS0120210005349	AFTER ALI
21	AS3120220005651	MAIDUL ISLAM
22	AS2120210000532	MAFIDUL ISLAM
23	AS2120230000705	NUR AMIN

মৰিগাঁও, ২৫ নৱেম্বৰ:

পথ সুৰক্ষা সুনিশ্চিত কৰা আৰু দুর্ঘটনা ৰোধ কৰাৰ লক্ষ্যৰে মৰিগাঁও জিলা প্রশাসন আৰু পৰিবহণ বিভাগে যান-বাহন আইন উলংঘাকাৰীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্রহণ কৰিছে। নৱেম্বৰ মাহত সুৰাপান কৰি বাহন চলোৱা আৰু নির্ধাৰিত সীমাতকৈ অতিৰিক্ত বোজা কঢ়িওৱাৰ অপৰাধত জিলাখনৰ ২৩ জন চালকৰ অনুজ্ঞাপত্র নিলম্বন কৰা হৈছে।

মৰিগাঁও আৰক্ষী আৰু জিলা পৰিবহণ বিভাগৰ যৌথ তালাচী অভিযানত এই চালকসকল ধৰা পৰে। অনুজ্ঞাপত্র নিলম্বন কৰা চালকসকলৰ নাম আৰু বাহনৰ নম্বৰসমূহ জিলা প্রশাসনে ইতিমধ্যে ৰাজহুৱা কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6313

অসম

ভূৰাগাঁও নতুন বজাৰত প্রশাসনৰ উচ্ছেদ অভিযান, ভাঙি পেলোৱা হ'ল চৰকাৰী ভূমিৰ দোকান-পোহাৰ

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, আবেলি ৪:৫১



মৰিগাঁও, ২৫ নৱেম্বৰ: মৰিগাঁও জিলাৰ ভূৰাগাঁও নতুন বজাৰ এলেকাত ২৫ নৱেম্বৰৰ পুৱাৰে পৰা জিলা প্রশাসনে এক বৃহৎ উচ্ছেদ অভিযান চলায়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6290

দেশ

পাছপ'র্টত জন্মস্থানৰ বিসংগতি: চিজেপি নেতা সৌৰভ দাসলৈ বৈদেশিক পৰিক্রমা মন্ত্রালয়ৰ জাননী

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৭:২৫



নতুন দিল্লী, ২৫ নৱেম্বৰ: পাছপ'র্টত উল্লেখ কৰা জন্মস্থানৰ তথ্যক লৈ ককৰোচ জনতা পার্টি (চিজেপি)-ৰ সহ-সমন্বয়ক সৌৰভ দাসলৈ কাৰণ দর্শোৱাৰ জাননী জাৰি কৰিছে বৈদেশিক পৰিক্রমা মন্ত্রালয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6336

অসম

টীয়কৰ ৭,৫৯৮ বিঘা কৃষিভূমি ৰক্ষাৰ দাবীত সত্যাগ্রহত দেৱব্রত শইকীয়া, কংগ্রেছ নেতৃত্বৰ সমর্থন

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৭:৪৬



টীয়ক, ২৫ নৱেম্বৰ: ব্রহ্মপুত্রৰ বান নিয়ন্ত্রণৰ নামত টীয়কৰ ৭,৫৯৮ বিঘা কৃষিভূমি, গো-চৰণীয়া পথাৰ আৰু জলাশয় খনন কৰি ধ্বংস কৰাৰ আশংকা প্রকাশ কৰি অঞ্চলটোত অব্যাহত আছে এক গণ সত্যাগ্রহ। কৃষক ৰাইজৰ এই প্রতিবাদী কার্যসূচীলৈ সমর্থন আগবঢ়াইছে বিৰোধী দল কংগ্রেছৰ নেতৃত্বই। বুধবাৰে সত্যাগ্রহস্থলীত উপস্থিত হয় অসম বিধানসভাৰ প্রাক্তন বিৰোধী দলপতি দেৱব্রত শইকীয়া আৰু কংগ্রেছ নেত্রী পল্লৱী শইকীয়া গগৈসহ দলটোৰ কেবাগৰাকীও নেতা-কর্মী। নেতাসকলে আন্দোলনকাৰী কৃষকসকলৰ সৈতে একাত্মতা প্রকাশ কৰি তেওঁলোকৰ যুক্তিসংগত দাবীক পূর্ণ সমর্থন জনায়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6369

ক্রীড়া

আইচিচি টেষ্ট ৰেংকিঙৰ শীর্ষ ১০ত ঋষভ পন্ত, শুভমন গিল আৰু যশস্বী জয়ছোৱাল

NewzNow ডেস্ক | ২৫ নৱেম্বৰ ২০২৬, নিশা ৭:৩০



নতুন দিল্লী, ২৫ নৱেম্বৰ: আন্তঃৰাষ্ট্রীয় ক্রিকেট পৰিষদে (আইচিচি) প্রকাশ কৰা পুৰুষৰ টেষ্ট খেলুৱৈৰ শেহতীয়া ৰেংকিঙত ভাৰতীয় ক্রিকেটাৰসকলে চমকপ্রদ সাফল্য লাভ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/6340

অসম

মৈৰাবাৰীত দীর্ঘদিনে পলাতক চাইবাৰ অপৰাধী কাৰিজুল ইছলামক আটক

নাছিদুৰ ৰহমান | ২৫ নৱেম্বৰ ২০২৬, নিশা ৭:৪৭



মৈৰাবাৰী, ২৫ নৱেম্বৰঃ মৈৰাবাৰীত আৰক্ষীৰ অভিযানত দীর্ঘদিন ধৰি পলাতক অৱস্থাত থকা কাৰিজুল ইছলাম নামৰ এজন লোকক আটক কৰা হৈছে। মৈৰাবাৰী আৰক্ষী থানাত ৰুজু হৈ থকা ৮২/২৬ নম্বৰৰ গোচৰৰ ভিত্তিত তেওঁক আটক কৰা বুলি জানিব পৰা গৈছে।

আটকাধীন কাৰিজুল ইছলামৰ ঘৰ মৈৰাবাৰী আৰক্ষী থানাৰ অন্তর্গত লোচনাবৰী গাঁৱত। দীর্ঘদিন ধৰি পলাতক হৈ থকা কাৰিজুলক মৈৰাবাৰী আৰক্ষী থানাৰ ভাৰপ্রাপ্ত বিষয়া নিকুঞ্জ বর্মনৰ নেতৃত্বত চলোৱা এক অভিযানত আটক কৰিবলৈ সক্ষম হয় আৰক্ষী।

ইতিমধ্যে আৰক্ষীয়ে কাৰিজুল ইছলামক আদালতত হাজিৰ কৰোৱা বুলি জানিব পৰা গৈছে। অৱশ্যে তেওঁৰ বিৰুদ্ধে থকা নির্দিষ্ট অভিযোগ বা গোচৰটোৰ বিস্তৃত তথ্য বর্তমান জানিব পৰা হোৱা নাই।

সম্পূর্ণ খবৰ:
https://newznow.in/news/6298

NewzNow ই-কাকত: প্রতিদিনে সন্ধিয়া newznow.in/epaper-ত। প্রতিটো খবৰৰ সম্পূর্ণ বিৱৰণ, ভিডিঅ' আৰু আপডেট newznow.in-ত পঢ়ক।
Facebook | YouTube | Instagram | X: NewzNow
খবৰ শুনক: newznow.in/listen